প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত গ্ৰাম্য উন্নয়ন আঁচনি ৰূপায়ণ**

# জিলাই জিলাই পৰ্যালোচনা সভা মন্ত্ৰী নৱ দলেৰ

## আঁচনি ৰূপায়ণত গাফিলতি আৰু দুৰ্নীতি সহ্য কৰা নহ'ব—বৰপেটাৰ পৰ্যালোচনা সভাত আজি পুনৰ দোহাৰিলে মন্ত্ৰী দলেয়ে

**বৰপেটা, ১২ মে'ঃ** "স্বচ্ছতাৰে নিজৰ কৰ্তব্য আৰু দায়িত্ব নিয়মানুৱৰ্তীতা বজাই ৰাখি গ্ৰাম্য দুখীয়া জনসাধাৰণৰ উন্নয়নৰ বাবে সহৃদয়তাৰে কাম কৰক"— বৰপেটাৰ জিলা উপায়ুক্তৰ সভাকক্ষত আজি অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত উপস্থিত থকা জিলাখনৰ সকলো ক্ষেত্ৰীয় বিষয়াক উদ্দেশ্যি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। তেওঁ লগতে কয় যে দুখীয়া জনসাধাৰণক উপকৃত কৰাৰ সুযোগ সকলোৱে নাপায়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কাম কৰাসকলে এই সুযোগ পাইছে। সেয়ে ইয়াৰ সৎ ব্যৱহাৰ কৰিব লাগে। বিভাগৰ উচ্চ স্তৰৰ পৰা তৃণমূল পৰ্যায়লৈ সকলোৱে সংগবদ্ধভাৱে একতাৰে এই কাৰ্যত ব্ৰতী হৈ আগন্তুক দিনত ৰাজ্যখনে সন্মুখীন হ'ব পৰা আৰ্থ-সামাজিক দুৰ্যোগৰ পৰা হাত সৰাৰ ব্যৱস্থা কৰিবলৈ বিভাগৰ আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণত সকলোৱে  সক্ৰিয় ভূমিকা পালন কৰাৰ ওপৰতো তেওঁ গুৰুত্ব দিয়ে।

উল্লেখযোগ্য যে দেশৰ বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত গাঁৱৰ দুৰ্বল শ্ৰেণীটোক সকাহ দিয়াৰ উদ্দেশ্যে ভাৰত চৰকাৰে সমগ্ৰ দেশতে গ্ৰাম্য আঁচনি ৰূপায়ণৰ বাবে লক ডাউন শিথিল কৰি যোৱা ২০ এপ্ৰিলৰ পৰা পুনৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। এই নিৰ্দেশনাৰ ভিত্তিত অসমতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইয়াৰ অধীনৰ সকলো আঁচনিৰ কাম পুনৰ আৰম্ভ কৰিছে। এই দুৰ্যোগৰ সময়ত গ্ৰাম্য উন্নয়নৰ সকলো আঁচনি সফলতাৰে ৰূপায়ণ কৰি যাতে গ্ৰাম্য দুখীয়া জনসাধাৰণক প্ৰকৃতাৰ্থত সহায় কৰাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো যাতে সবল ৰূপত ধৰি ৰাখিব পাৰি তাৰ বাবে বিভাগীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিটো ক্ষেত্ৰতে নিজে সুক্ষ্মভাৱে তদাৰক কৰি আছে। ইয়াৰে অংশ হিচাপে জিলাই জিলাই পৰ্যালোচনা সভা অনুষ্ঠিত কৰি সকলো ক্ষেত্ৰীয় বিষয়া-কৰ্মচাৰীক সজাগ কৰাৰ লগতে প্ৰেৰণা যোগাবলৈ পদক্ষেপ লৈছে। ইতিমধ্যে ধেমাজি, লখিমপুৰ, মাজুলী আৰু নগাঁও জিলাত পৰ্যালোচনা সভা অনুষ্ঠিত কৰাৰ পিছত আজি বৰপেটা জিলাৰ গ্ৰামোন্নয়নৰ কাম-কাজৰ বুজ ল'বলৈ বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু আয়ুক্ত হেমেন দাসকে ধৰি সমূহ উচ্চ পদস্থ বিষয়াসকলৰ লগত জিলা উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাৰ উপস্থিতিত তেওঁৰ সভাকক্ষত জিলাখনৰ সমূহ গ্ৰামোন্নয়ন বিষয়াৰ সৈতে এক পৰ্যলোচনা সভাত মিলিত হয়।

সভাত বিভাগৰ দ্বাৰা ৰূপায়িত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এমজিএনৰেগা), প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পিএমএৱাই-জি), ৰাষ্ট্ৰীয় সামজিক সাহায্য আঁচনি (এনএছএপি), চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চায়তৰ নিজা  ৰাজহ সংগ্ৰহৰ ব্যৱস্থা আদিৰ

উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এএছআৰএলএম)ৰ কাম-কাজ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

সভাত বিভাগৰ প্ৰধান সচিব ডাঃ এক্কাই বৰপেটাত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত বিতং তথ্য উপস্থাপন কৰে। ইয়াৰ ভিত্তিত মন্ত্ৰী দলেয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণ খৰতকীয়া কৰিবৰ বাবে ক্ষেত্ৰীয় পৰ্যায়ত সন্মুখীন হৈ থকা অসুবিধাসমূহৰ বুজ লোৱাৰ লগতে এই অসুবিধাসমূহ দূৰীকৰণৰ অৰ্থে বিভিন্ন পদক্ষেপ লোৱাৰ বাবে পৰামাৰ্শ আগবঢ়ায়। তদুপৰি প্ৰতিটো আঁচনিৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবৰ বাবে সময় নিৰ্দ্ধাৰিত কৰি দিয়ে। বৰ্তমানৰ সংকটপূৰ্ণ সময়ত এমজিএনৰেগাৰ জৰিয়তে গ্ৰাম্য দুখীয়া জনসাধাৰণৰ লগতে বহিঃৰাজ্যৰ পৰা আহি নিৰনুৱা হৈ থকা লোকসকলকো মজুৰিভিত্তিক কামেৰে উপকৃত কৰাৰ ক্ষেত্ৰত পালন কৰিব পৰা ভূমিকা সম্পৰ্কে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে সজাগতা সৃষ্টি কৰি সকলোকে কাম কৰিবলৈ আগবঢ়াই অনাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ লগতে সময়মতে সকলো আগ্ৰহী ব্যক্তিক জব কাৰ্ড প্ৰদান কৰাৰ উপৰি কাম আৰু মজুৰিও সময়মতে দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ভুৱা জব কাৰ্ডেৰে যাতে কোনো দুষ্ট চক্ৰই মজুৰিৰ ধন হৰলুকি কৰিব নোৱাৰে তাৰ বাবে জব কাৰ্ড নিৰীক্ষণ আৰু হিতাধিকাৰীৰ বেংক একাউণ্ট পৰীক্ষাকৰণ কাৰ্য এসপ্তাহৰ ভিতৰত সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

পিএমএৱাই-জিৰ ৰূপায়ণ আশানুৰূপভাৱে আগবাঢ়িছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰথম পৰ্যায়ৰ বাকী থকা আৱাস গৃহসমূহ এমাহৰ ভিতৰত, দ্বিতীয় পৰ্যায়ৰ গৃহসমূহ তিনিমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা দি ভূমিহীন পৰিয়ালসকলৰ বাবে পাৰিলে গোটভিত্তিত ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে।

আনহাতে জিলাখনৰ সমূহ পঞ্চায়তে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত লাভ কৰা প্ৰায় দুশ কোটি টকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনিৰ অধীনত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি চেনিটাইজ কৰাৰ উপৰি সৌৰশক্তি চালিত বিদ্যুত যোগান ব্যৱস্থাও সুপৰিকল্পিতভাৱে হাতত ল'বলৈও লগতে তেওঁ নিৰ্দেশ দিয়ে।

জিলাখনৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (পিএফএমএছ)ত পঞ্জীয়ণ নোহোৱা এনএছএপিৰ অধীনৰ ৪,৫৮১ গৰাকী হিতাধিকাৰীৰ তথ্যসমূহ এসপ্তাহৰ ভিতৰত পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা ল'বলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

আনহাতে এএছআৰএলএমৰ কাৰ্যসমূহত সন্তুষ্টি ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে সকলো আত্মসহায়ক গোটকে কোভিড-১৯ প্ৰতিৰোধী অভিযানৰ অংশীদাৰ হ'বলৈ আগবঢ়াই অনাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাই মিছন মোডত প্ৰস্তুত কৰি থকা মাস্কৰ বাবে প্ৰয়োজনীয় সামগ্ৰী যোগানৰ ক্ষেত্ৰত সহায় কৰিবলৈ জিলা উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যালোচনা সভাত বিভাগৰ অতিৰিক্ত সঞ্চালক খগেশ্বৰ পেগুকে ধৰি সমূহ বিষয়াৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়া আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১২-০৫-২০২০*


Job Card verification data






পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ অধীনত
বৰপেটা জিলাত ৰূপায়ন কৰা বিভিন্ন আঁচনি সমূহৰ উন্নয়নৰ
পৰ্য্যালোচনা সভা